CS (MAIN) Exam:2016

**M-ESC-D-ASM**

# অসমীয়া / ASSAMESE

## কাকত II / Paper II

## ( সাহিত্য ) / ( LITERATURE )

| নিৰ্ধাৰিত সময় : তিনি ঘণ্টা<br>*Time Allowed :* ***Three*** *Hours* | সৰ্বাধিক নম্বৰ : **250**<br>*Maximum Marks :* ***250*** |
|---|---|

### নির্দেশনা

***প্ৰশ্নৰ উত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা :***

*প্ৰশ্নকাকত খনত* ***দুটা শাখাত আঠটা*** *প্ৰশ্ন দিয়া আছে ।*

*ইয়াৰ ভিতৰত কেৱল* ***পাঁচটা*** *প্ৰশ্নৰ উত্তৰ কৰা ।*

*প্ৰশ্ন নং.* ***1*** *আৰু* ***5*** *বাধ্যতামূলক । বাকী* ***তিনিটাৰ*** *প্ৰত্যেকটো শাখাৰ পৰা কমেও* ***এটাকৈ*** *বাচি লৈ উত্তৰ কৰা ।*

*প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে ।*

*প্ৰশ্নৰ উত্তৰ* ***অসমীয়াত*** *কৰা ।*

*শব্দৰ সংখ্যা য'ত যিধৰণে দিয়া হৈছে, সেইধৰণে কৰা ।*

*প্ৰশ্নৰ উত্তৰ সমূহ ক্ৰম অনুসৰি কৰা । আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হব । প্ৰশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা ।*

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions :***

*There are* ***EIGHT*** *questions divided in* ***TWO SECTIONS****.*

*Candidate has to attempt* ***FIVE*** *questions in all.*

*Questions no.* ***1*** *and* ***5*** *are compulsory and out of the remaining, any* ***THREE*** *are to be attempted choosing at least* ***ONE*** *from each section.*

*The number of marks carried by a question / part is indicated against it.*

*Answers must be written in* ***ASSAMESE*** *(Assamese Script).*

*Word limit in questions, wherever specified, should be adhered to.*

*Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.*

## SECTION A

**Q1. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব :** *10×5=50*

(a) মাধৱ কন্দলিৰ 'অযোধ্যা কাণ্ড' ৰ ৰামৰ বনগমনৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ । *10*

(b) 'পাৰিজাত হৰণ' নাটৰ দুটি বিপৰীতধৰ্মী নাৰী চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ । *10*

(c) " 'ৰাসক্ৰীড়া' ৰ মাজেৰে মূলতঃ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্যকে প্ৰধানভাৱে ফুটাই তোলা হৈছে ।" — কথাষাৰৰ যথাৰ্থতা প্ৰমান কৰাঁ । *10*

(d) মাধৱদেৱৰ 'বৰগীত'ৰ মাজেৰে শিশুকৃষ্ণৰ বাল্যকালৰ বৰ্ণনা পোৱা গ'লেও সি ভক্তিৰসলৈ উন্নীত হৈছে — কথাষাৰ বিশ্লেষণ কৰাঁ । *10*

(e) 'গুৰু-চৰিত-কথা' ত শঙ্কৰদেৱৰ জীৱনকথা কিদৰে বৰ্ণিত হৈছে লিখাঁ । *10*

**Q2. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'ৰাজসূয় কাব্য' ত যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বৰ্ণনাত মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ হৈছে আলোচনা কৰাঁ । *20*

(b) 'কথাভাগৱত' দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়ত "সাধুৰ সঙ্গত হৰিকথা শুনিলে সযত্নে জ্ঞান হয় ।" বুলি কোৱা কথাষাৰ ব্যাখ্যা কৰাঁ । *15*

(c) 'গুৰু-চৰিত-কথা' ত তৎকালীন অসমৰ সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখাঁ । *15*

**Q3. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) শঙ্কৰদেৱে 'পাৰিজাতহৰণ নাট'ৰ কাহিনীটো কোন কোন মূল গ্ৰন্থৰ পৰা গ্ৰহণ কৰিছে আৰু তেওঁ নিজস্ব নাটকীয় কলাকৌশল কিদৰে প্ৰয়োগ কৰিছে, আলোচনা কৰাঁ । *20*

(b) বৰগীত সমূহৰ মাজেৰে আধ্যাত্মিক ভাৱ কিদৰে প্ৰতিফলিত হৈছে মাধৱদেৱৰ বৰগীতৰ আধাৰত বিশ্লেষণ কৰাঁ । *15*

(c) 'কীৰ্তন ঘোষা' ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য্য বিচাৰ কৰাঁ । *15*

**Q4. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) " 'কথা-ভাগৱত'ৰ গদ্যশৈলী অসমীয়া গদ্যৰ প্ৰথম স্তৰৰ চানেকি ।" — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰাঁ । *20*

(b) 'পাৰিজাত হৰণ' নাটখনত নাৰদৰ চৰিত্ৰটোৰ মাজেৰে সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখাঁ । *15*

(c) মাধৱ কন্দলিয়ে ৰামৰ বনগমনৰ সময়ত কৌশল্যা আৰু কৈকেয়ীৰ চৰিত্ৰ দুটাৰ কথোপকথন কিদৰে অঙ্কণ কৰিছে, আলোচনা কৰাঁ । *15*

## SECTION B

**Q5. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব :** *10×5=50*

(a) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' ত তেওঁ শৈশৱ জীৱনৰ কথা কিদৰে বৰ্ণাইছে আলোচনা কৰাঁ । *10*

(b) 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা' ত ফুটি উঠা হাস্য-ব্যঙ্গৰ ছৱিখন বিৱৰি লিখাঁ । *10*

(c) 'প্ৰতিমা' কাব্যপুথিৰ মাজেৰে কবি চন্দ্ৰকুমাৰৰ কবিপ্ৰতিভা কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(d) 'গাঁওবুঢ়া' নাটকত সেই সময়ৰ অসমৰ সামাজিক চিত্ৰ কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(e) 'মনোমতী' উপন্যাসৰ পটভুমি আৰু চৰিত্ৰ চিত্ৰণৰ বিশেষত্ব ব্যাখ্যা কৰাঁ । *10*

**Q6. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'পুৰুনি অসমীয়া সাহিত্য' গ্ৰন্থখনত ড. কাকতিয়ে 'বধকাব্য' শীৰ্ষক প্ৰবন্ধটোত বধকাব্যৰ মূল্যায়ন কিদৰে কৰিছে আলোচনা কৰাঁ । *20*

(b) 'কাৰেঙৰ লিগিৰী' নাটকৰ ''কাঞ্চনকুমাৰীৰ চৰিত্ৰ নিভাঁজ কেঁচা সোণৰ দৰে পৱিত্ৰ আৰু উজ্জ্বল ।'' — এই কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ । *15*

(c) 'মৃত্যুঞ্জয়' উপন্যাস খত ভাৰতীয় স্বাধীনতা আন্দোলনৰ কোনটোদিশ প্ৰতিবিম্বিত হৈছে আলোচনা কৰাঁ । *15*

**Q7. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'জীৱনৰ বাটত' – উপন্যাসখনৰ কমলাকান্ত আৰু ধৰনী মাষ্টৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰাঁ । *20*

(b) 'সম্ৰাট' কবিতাৰ মাজেৰে মানুহৰ প্ৰেমৰ চিৰন্তন মহত্বৰ প্ৰতি গভীৰ আস্থা কিদৰে ফুটি উঠিছে, আলোচনা কৰাঁ । *15*

(c) ''ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ ভিতৰত 'মনোমতী' কে শ্ৰেষ্ঠ বুলিব পাৰি ।'' — এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰাঁ । *15*

**Q8. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) " 'কাৰেঙৰ লিগিৰী' নাটখনত নাট্যকাৰে চৰিত্ৰ সৃষ্টিত দক্ষতাৰ পৰিচয় দিছে ।" — এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ । *20*

(b) 'জীৱনৰ বাটত' উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যৰ এক মাইলৰ খুটি বুলিব পাৰি — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰাঁ । *15*

(c) " 'গাঁওবুঢ়া' অসমীয়া ধেমেলীয়া নাটৰ ভিতৰত উল্লেখযোগ্য ।" — কি কি কাৰণত এই মন্তব্য কৰা হৈছে, আলোচনা কৰাঁ । *15*